**REGIONAL NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 21-10-2024 **Time :** 1845 Hrs.

***Assamese Evening Bulletin***
***Headlines***

০০০০০০০

১। আৰক্ষী জোৱানৰ দেশৰ প্ৰতি সৰ্বোচ্চ বলিদানক স্মৰণ কৰি দেশজুৰি আৰক্ষী স্মৃতি দিৱস পালন। নতুন দিল্লীৰ আৰক্ষী স্মাৰকত অনুষ্ঠিত কাৰ্যসূচীত গৃহমন্ত্ৰী অমিত শ্বাহৰ অংশগ্ৰহণ।

২। ৰাজ্যৰ পাঁচটা বিধানসভা সমষ্টিৰ উপ-নিৰ্বাচনৰ বাবে বিভিন্ন ৰাজনৈতিক দলৰ তৎপৰতা বৃদ্ধি। বঙাইগাঁও বিধানসভা সমষ্টিত অগপৰ দিপ্তীময়ী চৌধুৰীক মিত্ৰজোঁটৰ প্ৰাৰ্থিত্ব প্ৰদান।

৩। কেন্দ্ৰীয় পথ পৰিবহন আৰু ঘাইপথ দপ্তৰৰ মন্ত্ৰী নীতিন গাডকাৰীৰ নতুন দিল্লীত উত্তৰ-পূৰ্বাঞ্চলৰ ৰাষ্ট্ৰীয় ঘাইপথ প্ৰকল্পসমূহৰ কাম-কাজৰ পৰ্যালোচনা।

৪। ৰাজ্যত নাৰ্চিং শিক্ষাৰ প্ৰসাৰৰ বাবে চৰকাৰে গুৰুত্বপূৰ্ণ পদক্ষেপ লৈছে বুলি বৰপেটাত প্ৰথমখন বি এছ্ চি নাৰ্চিং মহাবিদ্যালয় মুকলি কৰি মন্ত্ৰী কেশৱ মহন্তৰ প্ৰকাশ।

আৰু

৫। অসম ৰাজ্যিক বিদ্যালয় শিক্ষা পৰিষদৰ হাইস্কুল শিক্ষান্ত পৰীক্ষাত অৱতীৰ্ণ হোৱাৰ বাবে অনলাইন পোৰ্টেলৰ জৰিয়তে প্ৰপত্ৰ পূৰণৰ দিন ঘোষণা।

০০০০

দেশ আৰু জাতিৰ হকে প্ৰাণ আহুতি দিয়া জোৱানসকলক স্মৰণ কৰি আজি দেশজুৰি আৰক্ষীৰ স্মৃতি দিৱস পালন কৰা হৈছে। এই উপলক্ষে আজি গৃহমন্ত্ৰী অমিত শ্বাহে নতুন দিল্লীৰ ৰাষ্ট্ৰীয় আৰক্ষীৰ স্মাৰকত পুষ্পাঞ্জলি অৰ্পণ কৰে। শ্ৰী শ্বাহৰ লগতে গৃহ ৰাজ্য মন্ত্ৰী বন্দি সঞ্জয় কুমাৰ, গৃহ সচিব গোবিন্দমোহন, চোৰাংচোৰা সংস্থাৰ সঞ্চালক তপন কুমাৰ ডেকা সহ আন আন বিশিষ্ট ব্যক্তিসকলেও ৰাষ্ট্ৰীয় আৰক্ষী স্মাৰকত শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰে। কৰ্তব্যৰ সময়ত নিজৰ সৰ্বোচ্চ বলিদান দি অমৰ হোৱা শ্বহীদসকলক স্মৰণ কৰি কেন্দ্ৰীয় গৃহমন্ত্ৰী শ্ৰী শ্বাহে সামাজিক মাধ্যমযোগে দিয়া এটা বাৰ্তাত কয় যে এই দিৱসত আৰক্ষী কৰ্মী আৰু তেওঁলোকৰ পৰিয়ালে কৰা ত্যাগক সন্মান জনোৱা হয়। তেওঁ কয় যে দেশত ৩৬ হাজাৰ ৪৬৮ গৰাকী কৰ্তবৰত আৰক্ষী কৰ্মীয়ে প্ৰাণ আহুতি দিছে।

বাইট

ইফালে, অসম আৰক্ষীয়েও কাহিলীপাৰাৰ চতুৰ্থ অসম আৰক্ষী বেটেলিয়ানত আৰক্ষী স্মৃতি দিৱস পালন কৰে। এই দিৱসৰ কাৰ্যসূচীত ৰাজ্যপাল লক্ষ্মণ প্ৰসাদ আচাৰ্য, আৰক্ষী সঞ্চালকপ্ৰধান জি পি সিং, আৰক্ষী আয়ুক্ত দিগন্ত বৰাকে ধৰি শীৰ্ষ আৰক্ষী বিষয়াসকল উপস্থিত থাকে। অনুষ্ঠানত আৰক্ষী জোৱাসকলৰ প্ৰতি গভীৰ শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰি ৰাজ্যপাল শ্ৰী আচাৰ্যই কয় যে চলিত বৰ্ষত সমগ্ৰ দেশত ২১৪ জন কৰ্তব্যৰত আৰক্ষী জোৱানৰ মৃত্যু হয়। এইসকলৰ ভিতৰত অসমৰো ছজন জোৱানে প্ৰাণ আহুতি দিবলগীয়া হৈছিল। দেশৰ প্ৰতি এনে সৰ্বোচ্চ বলিদানৰ বাবে জোৱানসকলক আজিৰ দিনটোত স্মৰণ কৰা হৈছে বুলি শ্ৰী আচাৰ্যই ব্যক্ত কৰে। ইফালে, মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই আৰক্ষী স্মৃতি দিৱসৰ আজিৰ দিনটোত জোৱানসকলৰ প্ৰতি শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰি সামাজিক মাধ্যমযোগে আইন-শৃংখলা ৰক্ষা আৰু নাগৰিক সুৰক্ষা সুনিশ্চিত কৰা অহৰ্নিশে কৰ্তব্যৰত আৰক্ষীসকলক কৃতজ্ঞতা জ্ঞাপন কৰে।

**যোৰহাট**তো জিলা আৰক্ষীৰ উদ্যোগত পুলিচ ৰিজাৰ্ভত আজি আৰক্ষী স্মৃতি দিৱস পালন কৰা হয়। জিলা আৰক্ষী অধীক্ষকে মুখ্য অতিথিৰূপে যোগদান কৰা অনুষ্ঠানটোত কৰ্তব্যৰত আৰক্ষী বিষয়াসকলক স্মৰণ কৰা হয়। তেওঁলোকৰ সাহস আৰু নিষ্ঠা সমাজৰ বাবে পাথেয় স্বৰূপ বুলি আৰক্ষী অধীক্ষকগৰাকীয়ে ভাষণ প্ৰসংগত উল্লেখ কৰে।

০০০০০০০

ৰাজ্যৰ পাঁচটা বিধানসভা সমষ্টিৰ উপ-নিৰ্বাচনৰ বাবে ৰাজনৈতিক তৎপৰতা ক্ৰমাৎ বৃদ্ধি পাইছে। ইতিপূৰ্বে শাসকীয় বিজেপিয়ে ৩টা সমষ্টিত প্ৰাৰ্থীৰ নাম ঘোষণা কৰাৰ বিপৰীতে কংগ্ৰেছ দলেও চাৰিটা সমষ্টিৰ বাবে দলীয় প্ৰাৰ্থীৰ নাম আনুষ্ঠানিকভাৱে ঘোষণা কৰে।

উপ-নিৰ্বাচনৰ বাবে ৩২ নম্বৰ বঙাইগাঁও বিধানসভা সমষ্টিত অগপৰ হৈ দিপ্তীময়ী চৌধুৰীৰ নাম চূড়ান্ত কৰা হৈছে। অসম গণ পৰিষদ দলৰ সভাপতি অতুল বৰাই দলীয় প্ৰাৰ্থী হিচাপে শ্ৰীমতী চৌধুৰীক মনোনীত কৰে। ইপিনে, উপ-নিৰ্বাচনৰ পৰিপ্ৰেক্ষিতত ইউ পি পি এল দলেও চিদলী সমষ্টিৰ বাবে নিৰ্মল কুমাৰ ব্ৰহ্মাক বিজেপি মিত্ৰজোঁটৰ প্ৰাৰ্থী হিচাপে ঘোষণা কৰিছে। বিৰোধী পক্ষৰ পৰা কংগ্ৰেছে বঙাইগাঁও সমষ্টিত প্ৰাক্তন আৰক্ষী বিষয়া ব্ৰজেনজিৎ সিন্হাক মনোনীত কৰিছে। বঙাইগাঁৱৰ ৰাজীৱ ভৱনত আজি শ্ৰী সিন্হাক দলীয় কৰ্মীসকলে আদৰণি জনাই সমষ্টিটোৰ পৰা তেওঁ বিপুল ভোটত জয়ী হ'ব বুলি দাবী কৰে।

বাইট

ইফালে, উপ-নিৰ্বাচনত পাঁচোটা সমষ্টিতে শাসনাধিষ্ঠিত বিজেপি মিত্ৰজোঁটে জয়লাভ কৰিব বুলি আজি মন্ত্ৰী কেশৱ মহন্তই বৰপেটাত সাংবাদিকৰ আগত মন্তব্য কৰে। মন্ত্ৰীগৰাকীয়ে বঙাইগাঁৱত অসম গণ পৰিষদৰ প্ৰাৰ্থীগৰাকীয়ে বিপুল ভোটত জয়লাভ কৰিব বুলি দাবী কৰে। তেওঁ কয় যে বিগত ৩৮বছৰে সমষ্টিটোত অসম গণ পৰিষদে জয়লাভ কৰি আহিছে। আনহাতে, শাসনাধিষ্ঠিত বিজেপি মিত্ৰজোঁটে উপ-নিৰ্বাচনত চামগুৰি সমষ্টিতো জয়লাভ কৰিব বুলি দাবী কৰি শ্ৰী মহন্তই বিৰোধী পক্ষৰ নিৰ্বাচনী কুচকাৱাজ মূল্যবোধহীন বুলি মন্তব্য কৰি তীব্ৰ সমালোচনা কৰে।

০০০০০০০

কেন্দ্ৰীয় পথ পৰিবহন আৰু ঘাইপথ দপ্তৰৰ মন্ত্ৰী নীতিন গাডকাৰীয়ে আজি নতুন দিল্লীত উত্তৰ পূৰ্বাঞ্চলৰ ৰাজ্যসমূহত চলি থকা ৰাষ্ট্ৰীয় ঘাইপথ প্ৰকল্পসমূহৰ কাম-কাজৰ অগ্ৰগতিৰ বুজ লয়। মন্ত্ৰীগৰাকীয়ে বৈঠকত এই প্ৰকল্পসমূহ নিৰ্ধাৰিত সময়ত সম্পূৰ্ণ কৰাৰ ওপৰত গুৰুত্ব আৰোপ কৰে। তেওঁ কয় যে এই প্ৰকল্পসমূহৰ ৰূপায়ণে উত্তৰ পূৰ্বাঞ্চলত পৰিবহন আৰু অৰ্থনৈতিক বিকাশৰ ক্ষেত্ৰত কেন্দ্ৰীয় চৰকাৰৰ প্ৰতিশ্ৰুতিবদ্ধতাক বাস্তৱায়িত কৰিব। শ্ৰীগাডকাৰীয়ে আজি সংসদীয় পৰিক্ৰমা মন্ত্ৰী কিৰেণ ৰিজিজুৰ উপস্থিতিত অৰুণাচল প্ৰদেশৰ ৪২৩ কিলোমিটাৰৰো অধিক সামৰি নিৰ্মীয়মান ১৫টা ৰাষ্ট্ৰীয় ঘাইপথ প্ৰকল্পৰ কাম-কাজৰ বুজ লয়। এই বৈঠকত অৰুণাচল প্ৰদেশৰ মুখ্যমন্ত্ৰী পেমা খান্দু উপস্থিত থাকে। বৈঠকত মন্ত্ৰীগৰাকীয়ে মণিপুৰত ৮০৮ কিলোমিটাৰ সামৰি নিৰ্মীয়মান ৩৮টা ৰাষ্ট্ৰীয় ঘাইপথৰ প্ৰকল্পৰ কাম-কাজৰ বুজ লয়। মণিপুৰৰ মুখ্যমন্ত্ৰী এন বিৰেন সিঙৰ উপস্থিতিত মন্ত্ৰীগৰাকীয়ে এই বৈঠকখনত ৰাজ্যখনৰ ৰাষ্ট্ৰীয় ঘাইপথসমূহৰ কাম-কাজ সম্পূৰ্ণ কৰাৰ ফলত ৰাজ্যখনত যোগাযোগ সূচল হৈ উঠিব বুলি মন্তব্য কৰে। ইয়াৰ দ্বাৰা ৰাজ্যখনে প্ৰগতিৰ পথত অগ্ৰসৰ হ'ব বুলিও মন্ত্ৰীগৰাকীয়ে উল্লেখ কৰে।

০০০০০০০

আকাশবাণী গুৱাহাটীয়ে ইন্‌লী ফাউণ্ডেশ্যনৰ সহযোগত দৃষ্টিহীনসকলৰ বাবে আজি এখন মঞ্চনাট পৰিবেশন কৰে। ঋতুপৰ্ণ দাস ৰচিত আৰু পৰিচালিত **তোমাৰ নিবিড় মায়াৰে** নামৰ এই নাটখন আজি দিনৰ ভাগত গুৱাহাটীৰ শ্ৰীমন্ত শংকৰদেৱ কলাক্ষেত্ৰৰ শ্ৰীশ্ৰী মাধৱদেৱ প্ৰেক্ষাগৃহত পৰিবেশন কৰা হয়। এই মঞ্চনাটখনৰ দ্বাৰা দৃষ্টিহীন লোকসকলক অনাতাঁৰ নাট উপভোগ কৰোঁৱাৰ সদৃশ অভিজ্ঞতা আৰু অনুভৱ প্ৰদানৰ প্ৰয়াস কৰা হয়। এই অনু্ঠানৰ পাছতে আকাশবাণী গুৱাহাটী কেন্দ্ৰৰ নাট শাখাৰ কণ্ঠস্বৰ পৰীক্ষাত উত্তীৰ্ণ অভিনয় শিল্পীসকলক স্বীকৃতিপত্ৰ প্ৰদান কৰা হয়। অনুষ্ঠানত আকাশবাণী আৰু দূৰদৰ্শনৰ উত্তৰ-পূবৰ অতিৰিক্ত সঞ্চালক প্ৰধান আশীষ ভাটনাগৰ, গুৱাহাটী বিশ্ববিদ্যালয়ৰ অধ্যাপক কিশোৰী মোহন ভট্টাচাৰ্যৰ লগতে বশিষ্ঠৰ দৃষ্টিহীন বিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰী আৰু ভালেসংখ্যক দৃষ্টিহীন শ্ৰোতা উপস্থিত থাকে। অনুষ্ঠানত উপস্থিত থাকি গুৱাহাটী বিশ্ববিদ্যালয়ৰ অধ্যাপক কিশোৰী মোহন ভট্টাচাৰ্যই এইদৰে কয়।

বাইট

০০০০০০০

অসম কেন্সাৰ কেয়াৰ ফাউণ্ডেশ্যনৰ অধীনত আজি বৰপেটাত প্ৰথমখন বি এছ চি নাৰ্চিং মহাবিদ্যালয় মুকলি কৰা হয়। ফখৰুদ্দিন আলী আহমেদ চিকিৎসা মহাবিদ্যালয় আৰু হাস্পতাল চৌহদত থকা বৰপেটা কেন্সাৰ কেয়াৰ চেণ্টাৰত স্থাপন কৰা মহাবিদ্যালয়খন ৰাজ্যৰ পৰিবহন, বিজ্ঞান আৰু প্ৰযুক্তি দপ্তৰৰ মন্ত্ৰী কেশৱ মহন্তই আনুষ্ঠানিকভাৱে মুকলি কৰে। অনুষ্ঠানত দিয়া ভাষণত মন্ত্ৰীগৰাকীয়ে কয় যে মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাৰ ভৱিষ্যদৰ্শী চিন্তা-চৰ্চাৰে এই মহাবিদ্যালয়খন স্থাপন কৰা হৈছে। ৰাজ্য চৰকাৰে স্বাস্থ্য খণ্ডত নাৰ্চসকলৰ গুৰুত্বপূৰ্ণ ভূমিকাৰ প্ৰতি লক্ষ্য ৰাখি ৰাজ্যখনত নাৰ্চিং শিক্ষাৰ প্ৰসাৰৰ বাবে পদক্ষেপ

লৈছে। যোৱা বাৰৰ ৰাজ্যিক বাজেটত অসমত ৯খন বি এছ চি নার্চিং প্রতিষ্ঠান স্থাপনৰ সিদ্ধান্ত লোৱা হৈছিল। মন্ত্রীগৰাকীয়ে কয় যে নার্চিং ক্ষেত্রত সম্প্রতি বিশেষ পাঠ্যক্রমৰ সূচনা হৈছে। অসম চৰকাৰেও এই অনুসৰি তেনে পাঠ্যক্রম আৰম্ভ কৰিবলৈ পদক্ষেপ লৈছে বুলি তেওঁ জানিবলৈ দিয়ে। শ্রীমহন্তই কয় যে জাপানকে ধৰি বিশ্বৰ কেইবাখনো দেশে অসমৰ পৰা নার্চ বিচাৰি যোগাযোগ কৰিছে। বিদেশত অসমৰ নার্চে সেৱা আগবঢ়াব পৰাকৈ নার্চিং পাঠ্যক্রমত বিদেশী ভাষা শিক্ষণ পাঠ্যক্রম আৰম্ভ কৰা হৈছে বুলি তেওঁ কয়। উল্লেখযোগ্য যে ২০১৮ চনত অসম চৰকাৰ আৰু টাটা ন্যাসৰ মাজত সম্পাদিত বুজাবুজিৰ চুক্তি অনুসৰি গঠন হোৱা অসম কেন্সাৰ কেয়াৰ ফাউণ্ডেশ্যনে নির্মাণ কৰা কৰ্কট চিকিৎসালয়সমূহত সংলগ্ন এইখন প্রথম নার্চিং কলেজ। কেন্সাৰ কেয়াৰ ফাউণ্ডেশ্যনৰ অধীনৰ ৯খন কৰ্কট ৰোগৰ চিকিৎসালয়ে সম্প্রতি ৰাজ্যত স্বাস্থ্য সেৱা আগবঢ়াই থকাৰ সমান্তৰালভাৱে ৮খনৰ নির্মাণ কার্য অব্যাহত আছে। মন্ত্রীগৰাকীয়ে আজি মহাবিদ্যালয়খন মুকলি উপলক্ষে ইয়াৰ অধ্যাপক-অধ্যাপিকা আৰু অন্য সদস্যসকলক অভিনন্দন জ্ঞাপন কৰে। অনুষ্ঠানত দিয়া ভাষণত অসম চৰকাৰৰ চিকিৎসা শিক্ষা আৰু গৱেষণা বিভাগৰ আয়ুক্ত সচিব সিদ্ধার্থ সিঙে কয় যে ভাৰতত পৰৱর্তী ১০টা বছৰত কমেও ২ কোটি নার্চৰ প্রয়োজন হ'ব। অসমে এই চাহিদা পূৰণৰ অংশীদাৰ হ'ব বিচাৰিছে বুলিও শ্রীসিঙে উল্লেখ কৰে। উল্লেখযোগ্য যে আজি মুকলি কৰা এই শিক্ষা প্রতিষ্ঠানত ৩০খন আসন আছে আৰু ইয়াৰ নামভর্তি সম্পূর্ণ হৈছে।

0000000

কেন্দ্রীয় চৰকাৰৰ কৃষি আৰু কৃষক বিভাগৰ ৰাজ্য মন্ত্রী ভগীৰথ চৌধুৰী কাইলৈ দুদিনীয়া ভ্রমণসূচীৰে তিনিচুকীয়াত উপস্থিত হ'ব। মন্ত্রীগৰাকীয়ে জিলা আয়ুক্তৰ কার্যালয়ত এখন পর্যালোচনা সভাত অংশগ্রহণ কৰাৰ লগতে বৰহাপজানত থকা এখন কৃষি পামো পৰিদর্শন কৰিব। ইয়াৰ উপৰি শ্রী চৌধুৰীয়ে তিনিচুকীয়া চিকিৎসা মহাবিদ্যালয় পৰিদর্শন কৰাৰ লগতে এখন নাগৰিক সন্মিলনতো অংশগ্রহণ কৰিব।

0000000

অসম ৰাজ্যিক বিদ্যালয় শিক্ষা পৰিষদে ২০২৫ বৰ্ষত অনু্ঠিত হ'বলগীয়া হাইস্কুল শিক্ষান্ত পৰীক্ষাত অৱতীর্ণ হোৱাৰ বাবে অনলাইন পোৰ্টেলৰ জৰিয়তে প্রপত্র পূৰণৰ দিন ঘোষণা কৰিছে। এই অনুসৰি sebaregistration.org শীর্ষক পোৰ্টেলৰ জৰিয়তে ২৩ অক্টোবৰৰ পৰা ১৪ নৱেম্বৰলৈ বিদ্যালয়সমূহে প্রপত্র পূৰণ কৰিব পাৰিব বুলি পৰিষদৰ সচিবে প্রকাশ কৰিছে। ইপিনে, অনলাইন মাচুল পৰিশোধৰ অন্তিম দিন ১৫ নৱেম্বৰ ধার্য কৰা হৈছে। একেদৰে ১৮ নৱেম্বৰ পর্যন্ত চালানৰ ধন পৰিশোধ কৰিব পাৰিব। অনলাইন শুধৰণীৰ বাবে ৩০ নৱেম্বৰ অন্তিম দিন ধার্য কৰা হৈছে। প্রপত্র পূৰণৰ নির্দেশনাৱলী ৱেবছাইটত পোৱা যাব বুলিও কোৱা হৈছে।

0000000

জাপানীজ এনচেফেলাইটিছৰ প্রাপ্তবয়স্ক টীকাকৰণ অভিযানৰ বাবে আজি শোণিতপুৰ জিলা আয়ুক্তৰ কার্যালয়ত জিলা কর্মবাহিনীৰ এখন সভা অনুষ্ঠিত হয়। সভাখন মুকলি কৰি স্বাস্থ্য বিভাগৰ অতিৰিক্ত জিলা আয়ুক্তই সকলো অংশীদাৰক আদৰণি জনায়। সভাত চলিত বৰ্ষৰ ১৫ নৱেম্বৰত আৰম্ভ কৰিবলগীয়া টীকাকৰণ অভিযানত প্রাপ্ত বয়স্ক সকলো ব্যক্তিকে সামৰি লোৱাৰ প্রয়োজনীয় কৌশলসমূহৰ বিষয়ে আলোচনা কৰা হয়। স্বাস্থ্য বিভাগৰ যুটীয়া সঞ্চালকে এই অভিযানৰ বিষয়ে অৱগত কৰি কয় যে অসমৰ চাৰিখন জিলাক জাপানীজ এনচেফেলাইটিছ টীকাকৰণ অভিযানৰ আওঁতাত সামৰি লোৱা হৈছে। চলিত বৰ্ষৰ ছেপ্তেম্বৰ মাহত শোণিতপুৰ জিলাত ৪৬ জন ব্যক্তি এই ৰোগত আক্রান্ত হৈছে আৰু ইয়াৰ ভিতৰত দুজনে প্রাণ হেৰুৱাইছে। সভাত অংশীদাৰ বিভাগসমূহৰ মাজত সমন্বয় আৰু সহযোগিতাৰ আহ্বান জনাই বিভাগীয় কর্তৃপক্ষই জিলাখনৰ মুঠ জনসংখ্যাৰ প্রায় ৪৭ শতাংশ টীকাকৰণ কৰিব লাগিব বুলি জানিবলৈ দিয়ে।

0000000

গুৱাহাটী মহানগৰী দবা সন্থাৰ উদ্যোগত অনুষ্ঠিত ৯ বছৰ আৰু ১৩ বছৰৰ অনুৰ্ধ গুৱাহাটী মহানগৰী দবা চেম্পিয়নশ্বিপৰ সামৰণি পৰে। ৰাধাগোবিন্দ বৰুৱা পথত অৱস্থিত শিক্ষক ভৱনত অনুষ্ঠিত প্রতিযোগিতাখনত ১৩ বছৰৰ অনুর্ধ ল'ৰাৰ শাখাত ভৌমিক কিশোৰ দাসে আৰু ছোৱালীৰ শাখাত আমেয়া গুপ্তাই জয়লাভ কৰে। আনহাতে, ৯ বছৰ অনুর্ধৰ ল'ৰাৰ শাখাত সাৰস্বত ডেকা আৰু ছোৱালীৰ শাখাত চার্ভিশ্রী বর্মনে চেম্পিয়নৰ খিতাপ অর্জন কৰে। প্রতিযোগিতাখনত সর্বমুঠ ১২১ গৰাকী খেলুৱৈয়ে অংশগ্রহণ কৰে।

0000000

উত্তৰ প্ৰদেশৰ গোড়খপুৰত কাইলৈৰ পৰা অনুষ্ঠিত হ'বলগীয়া ২৫ সংখ্যক জুনিয়ৰ ৰাষ্ট্ৰীয় ৰোয়িং চেম্পিয়নশ্বিপৰ বাবে অসমৰ পাঁচজনীয়া দলৰ নাম ঘোষণা কৰিছে। অসম ব'ট ৰেচিং এণ্ড ৰোয়িং এছোচিয়েচনৰ ল'ৰা আৰু ছোৱালীৰ এই দলটো ঘোষণা কৰিছে। ২৬ অক্টোবৰলৈকে অনুষ্ঠিত হ'বলগীয়া এই প্ৰতিযোগিতাৰ চাব জুনিয়ৰ ল'ৰাৰ শাখাত আয়ান খান আৰু ফাৰহান আলী আৰু ছোৱালীৰ শাখাত জেছিকা বসুমতাৰীয়ে প্ৰতিদ্বন্দ্বিতা কৰিব। ইফালে, ১৩ বছৰ অনুৰ্দ্ধৰ ছোৱালীৰ দলীয় শাখাত আকাব্ৰতা বৰগোঁহাই আৰু ইপ্সিতা চৌধুৰীয়ে প্ৰতিদ্বন্দ্বিতা কৰিব।

০০০০০০০

আকাশবাণী গুৱাহাটী যুৱবাণীৰ সংগীত শিল্পী হিচাপে স্বীকৃতিৰ বাবে অফলাইন আবেদনৰ ব্যৱস্থা মুকলি কৰা হৈছে। অসমীয়া আধুনীক গীত, কামৰূপী আৰু গোৱালপৰীয়া লোকগীত, বৰগীত ভজন, গজল, খেয়াল, ৰবীন্দ্ৰ সংগীত, বাদ্যসংগীত আৰু লোক বাদ্য সংগীত শিতানৰ একক শাখাত আৰু দলীয় শাখাত জিকিৰ-জাৰী, বিহুগীত, টোকাৰী গীত, দিহানামত ইচ্ছুক প্ৰাৰ্থীয়ে আবেদন কৰিব পাৰিব। উল্লেখযোগ্য যে দলীয় শাখাত বাদ্য শিল্পীসহ ৫ ৰ পৰা ৮ জন সদস্যহে থাকিব পাৰিব তথা দলৰ সদস্যসকলৰ ফটো সংলগ্ন কৰি সকলোৰে নাম উল্লেখ কৰিব লাগিব। আবেদনকাৰীয়ে আবেদন প্ৰ-পত্ৰ, অনলাইন মাচুল পৰিশোধৰ বাবে যাবতীয় তথ্য আৰু নিয়মাৱলী আকাশবাণী গুৱাহাটী ফেচবুক পেজ এ আই আৰ গুৱাহাটীৰ পৰা ডাউলনোড কৰিব পাৰিব অথবা আকাশবাণী গুৱাহাটীৰ অভ্যৰ্থনা কক্ষৰ পৰা সংগ্ৰহ কৰিব পাৰিব। উল্লেখযোগ্য যে, আবেদন প্ৰ-পত্ৰ পূৰ কৰি ২৫ অক্টোবৰৰ ভিতৰত আকাশবাণী গুৱাহাটী কেন্দ্ৰৰ অভ্যৰ্থনাকক্ষত জমা দিব লাগিব।

০০০০০০০

**সমাপ্ত**